# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 08-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টমনত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। এখন দেশ এটা নিৰ্বাচনৰ সৈতে জড়িত দুখন বিধেয়ক সন্দৰ্ভত আজি যুটীয়া সংসদীয় সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব।

৩। ভূবনেশ্বৰত আজিৰে পৰা ১৮ সংখ্যক প্ৰবাসী ভাৰতীয় দিৱসৰ অধিৱেশন আৰম্ভ হ'ব।

৪। নেপাল-তিববত সীমান্তত হোৱা ভূমিকম্পত নিহত লোকৰ সংখ্যা ১২৬ লৈ বৃদ্ধি পাইছে। **আৰু**

৫। অহা ১৩ জানুৱাৰীৰ পৰা নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনডৰ ষ্টেডিয়ামত খো খো বিশ্বকাপ ২০২৫ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টমনত ২ লাখ কোটিৰো অধিক টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ উদ্দেশ্যে উপস্থিত থাকিব। তেওঁ বিশাখাপট্টমনৰ সমীপৰ পোডিমাকাট অত্যাধুনিক এন টি পি চি গ্ৰীন এনাৰ্জি লিমিটেডৰ গ্ৰীন হাইড্ৰজেন হাব্ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰজেন অভিযানৰ অধীনত প্ৰায় ১ লাখ ৮৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এইটোৱে হ'ব প্ৰথমটো গ্ৰীন হাইড্ৰজেন হাব্। এই প্ৰকল্পই ২০৩০ চনৰ ভিতৰত ভাৰতৰ অজীৱাশ্ম শক্তি ক্ষমতাৰ লক্ষ্য ৫০০ জিৱাট লাভ কৰিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৯ হাজাৰ ৫০০ কোটি টকাৰো অধিক মূল্যৰ বিভিন্ন ৰে'লপথ প্ৰকল্প উদ্বোধন কৰি জনসাধাৰণৰ নামত উৎসৰ্গা কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত বিশাখাপট্টমনত দক্ষিণ উপকূলীয় ৰে'লৰে মুখ্য কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰাও অন্তৰ্ভুক্ত হৈ আছে। প্ৰকল্পসমূহে যান-জঁট হ্ৰাস কৰাৰ লগতে যোগাযোগ উন্নত কৰি আঞ্চলিক, সামাজিক আৰু অৰ্থনৈতিক বিকাশ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আনকাপল্লী জিলাৰ নক্কাপল্লীত বাল্ক ড্ৰাগ পাৰ্কৰ আধাৰশিলাও স্থাপন কৰিব। উল্লেখযোগ্য যে বিশাখাপট্টমন-চেন্নাই ঔদ্যোগিক কৰিডৰ আৰু বিশাখাপট্টমন-কাকিনাডা পেট্ৰ'লিয়াম, কেমিকেল এণ্ড পেট্ৰ' কেমিকেল ইনভেষ্টমেণ্ট ৰিজিঅ'নৰ ওচৰত থকা বাবে বাল্ক ড্ৰাগ পাৰ্কে অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাত সহায় কৰাৰ লগতে হাজাৰ হাজাৰ নিয়োগৰ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে অন্ধ্ৰপ্ৰদেশৰ তিৰোপতি জিলাৰ চেন্নাই-বেংগালুৰু ঔদ্যোগিক কৰিডৰৰ অন্তৰ্গত কৃষ্ণপট্টনম ঔদ্যোগিক এলেকাৰ আধাৰশিলা স্থাপন কৰিব। ৰাষ্ট্ৰীয় ঔদ্যোগিক কৰিডৰৰ উন্নয়ন কাৰ্যসূচীৰ অধীনত ফ্লেগশ্বিপ প্ৰকল্প কৃষ্ণপট্টনম ঔদ্যোগিক এলেকাক গ্ৰীন ফিল্ড স্মাৰ্ট চিটী হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে প্ৰায় ১০ হাজাৰ ৫০০ কোটি টকাৰ উৎপাদন বিনিয়োগৰ লগতে প্ৰায় ১ লাখ প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সৃষ্টি হ'ব।

ooooo

এখন দেশ এটা নিৰ্বাচনৰ সৈতে জড়িত দুখন বিধেয়ক সন্দৰ্ভত আজি যুটীয়া সংসদীয় সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে আনুষ্ঠানিকভাৱে সংবিধান বিধেয়ক ২০২৪ আৰু কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৪ হিচাপে বিধেয়ক দুখনৰ নামৰ প্ৰস্তাৱিত কৰা হৈছে। লোকসভাৰ পৰা ২৭ জন আৰু ৰাজ্যসভাৰ পৰা ১২ জন সদস্যলৈ গঠিত ৩৯ জনীয়া সমিতিয়ে পৰৱৰ্তী সংসদ অধিৱেশনৰ প্ৰথম দিনা প্ৰতিবেদন দাখিল কৰিব।

ooooo

ভূৱনেশ্বৰত আজিৰে পৰা ১৮ সংখ্যক প্ৰবাসী ভাৰতীয় দিৱসৰ অধিৱেশন আৰম্ভ হ'ব। এই উপলক্ষে ওড়িশা চৰকাৰে ৫০ খন দেশৰ পৰা ভাৰতলৈ অহা প্ৰবাসী ভাৰতীয়- এন আৰ আইৰ সন্মুখত ৰাজ্যখনৰ চহকী সংস্কৃতি আৰু ঐতিহ্য প্ৰদৰ্শন কৰিব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সহযোগত আয়োজন কৰা এই দিৱসত কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে পৰহিলৈ অধিৱেশনৰ বিদায় সভাত সভাপতিত্ব কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰবাসী ভাৰতীয় সকলে বিভিন্ন ক্ষেত্ৰত দেখুওৱা কৃতিত্বৰ স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰবাসী ভাৰতীয় সন্মান প্ৰদান কৰিব। এই অধিৱেশনৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী মোদীয়ে দিল্লীৰ নিজামুদ্দিন ষ্টেচনৰ পৰা ৩ সপ্তাহৰ বাবে একাধিক গন্তব্যস্থানলৈ যাত্ৰা কৰিবলগীয়া প্ৰবাসী ভাৰতীয়সকলৰ বাবে বিশেষ পৰ্যটন ৰে'ল **প্ৰবাসী ভাৰতীয় এক্সপ্ৰেছৰ** পতাকা জোকাৰি শুভাৰম্ভ কৰিব। তেওঁ ৰামায়ণৰ উত্তৰাধিকাৰ, প্ৰযুক্তি আৰু বিক্ষিত ভাৰতৰ প্ৰতি প্ৰবাসী ভাৰতীয় অৱদান, **মান্দাবিৰ পৰা মাস্কাটলৈৰ** ওপৰত গুৰুত্ব প্ৰদান কৰি প্ৰবাসী ভাৰতীয়সকলৰ বিৱৰ্তন, ওড়িশা ঐতিহ্য আৰু সংস্কৃতি- এই বিষয়সমূহ লৈ চাৰিখন প্ৰদৰ্শনীও উদ্বোধন কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৩ খন নতুন অপৰাধমূলক আইন শাস্তিমুখী নহয়, বৰঞ্চ ভুক্তভোগী কেন্দ্ৰিক আৰু ক্ষিপ্ৰ ন্যায়ৰ উদ্দেশ্যেৰে গঠিত বুলি প্ৰকাশ কৰে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ সৈতে নতুন দিল্লীত তিনিখন নতুন আইন ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চলিত বৰ্ষৰ মাৰ্চ মাহৰ ভিতৰত উত্তৰ প্ৰদেশৰ আটাইকেইটা আয়ুক্ততে এশ শতাংশ কাৰ্যকৰী হোৱাটো নিশ্চিত কৰিব লাগে। উত্তৰ প্ৰদেশৰ দৰে বৃহৎ জনসংখ্যা থকা ৰাজ্যসমূহত নতুন অপৰাধমূলক আইন ৰূপায়ণে সমগ্ৰ দেশতে এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিব বুলিও তেওঁ উল্লেখ কৰে। প্ৰযুক্তি ব্যৱহাৰ বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে ৰাজ্যৰ প্ৰতিখন জিলাতে এখনতকৈ অধিক ফৰেন্সিক মোবাইল বাহন উপলব্ধ হ'ব লাগে। মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে মুঠ পঞ্জীয়নভুক্ত এফ আই আৰৰ কিমানটা নিজ নিজ ৰাজ্যলৈ হস্তান্তৰ সন্দৰ্ভত নিয়মীয়া আৰু নিৰন্তৰ নিৰীক্ষণ হ'ব লাগে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতি ১৫ দিনৰ মূৰত আইনসমূহ অগ্ৰগতি পুনৰীক্ষণ কৰিবলৈ মুখ্যমন্ত্ৰগৰাকীক আহ্বান জনায়। তেওঁ লগতে ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধান গৰাকীক সংশ্লিষ্ট সকলো বিভাগৰ বিষয়াৰ সৈতে সপ্তাহত এবাৰকৈ পুনৰীক্ষণ কৰিবলৈ পৰামৰ্শ দিয়ে।

ooooo

নেপাল-তিববত সীমান্তত হোৱা ভূমিকম্পত নিহত লোকৰ সংখ্যা ১২৬ লৈ বৃদ্ধি পাইছে। চীনৰ চৰকাৰী সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ৰিখটাৰ স্কেলত ৭ দশমিক ১ প্রাবল্যৰ এই ভূইকপত প্রায় ১৮৮ জন লোক আহত হৈছে। এই ভূমিকম্পৰ অভিকেন্দ্র নেপাল সীমান্তৰ ওচৰৰ তিববত স্বায়ত্তশাসিত অঞ্চলৰ জিজাঙত ভূপৃষ্ঠৰ পৰা ১০ কিলোমিটাৰ গভীৰতাত আছিল বুলি জানিব পৰা গৈছে। ভূমিকম্পৰ ফলত জিজাং চহৰত সৰ্বাধিক ক্ষতি হোৱা বুলি কোৱা হৈছে। টংলাই গাঁও, চাংচুওত নগৰত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হৈছে। উচ্চ প্রাবল্যৰ ভূমিকম্পটোৰ পাছতে অঞ্চলটোত আন দুটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ভাৰতৰ অসম, চিকিম, পশ্চিমবংগ, বিহাৰৰ ঠাই বিশেষেও এই ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। অৱশ্যে ভূমিকম্পৰ ফলত ভাৰতত এতিয়ালৈকে ধন জন হানি হোৱাৰ বাতৰি পোৱা হোৱা নাই।।

00000

কেন্দ্রীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্রী নীতিন গাডকাৰীয়ে সৰ্বভাৰতীয়ভাৱে চালক প্ৰশিক্ষণ প্ৰতিষ্ঠান ডিটিআই স্থাপনৰ বাবে এখন আঁচনি ঘোষণা কৰিছে। সংবাদমেল সম্বোধন কৰি কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কয় যে দেশত দক্ষ চালকৰ অভাৱ দুৰ কৰা আৰু চালকৰ বাবে অধিক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰত চৰকাৰ দায়বদ্ধ। গাডকাৰীয়ে লগতে কয় যে সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলৰ পৰিবহণ মন্ত্রীসকলৰ সৈতে হোৱা বৈঠকত পথ সুৰক্ষাক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। পৰিবহণ খণ্ডৰ পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে বৈঠকত দেশৰ পথ আৰু পৰিবহণ খণ্ডত পৰিৱৰ্তন অনাৰ বাবে বিভিন্ন পদক্ষেপ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়।

00000

খো খো বিশ্বকাপ ২০২৫, ১৩ জানুৱাৰীৰ পৰা ১৯ জানুৱাৰীলৈ নতুন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত,অনুষ্ঠিত হ'ব । ভাৰতীয় অলিম্পিক সন্থাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া খো খো প্রতিযোগিতাৰ উদ্বোধনী সংস্কৰণত ২০ টা পুৰুষৰ দল আৰু ১৯টা মহিলাৰ দলে প্ৰতিদ্বন্দ্বিতা কৰিব। পুৰুষ আৰু মহিলা উভয় শাখাৰ বাবে গ্রুপ পৰ্যায়ৰ পৰা প্ৰতিযোগীতা আৰম্ভ হ'ব। প্ৰতিটো গ্ৰুপৰ পৰা শীৰ্ষ দুটা দলে কোৱাৰ্টাৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিব।

00000

হকী ইণ্ডিয়া লীগ এইচ আই এলত যোৱা নিশা ৰৌৰকেলাৰ বীৰছা মুণ্ডা হকী ষ্টেডিয়ামত বেদান্ত কলিংগা লেন্সাৰচে শ্ৰাচি ৰাৰহ বেংগল টাইগাৰছক ৬-০ গ'লত পৰাস্ত কৰে। লেন্সাৰ্ছৰ হৈ থিয়ৰী ব্ৰিংকমেনে প্ৰথম তিনি মিনিটত এটা আৰু ৪৭ মিনিটত আন এটা গ'ল দিয়ে। টেবুল টপাৰ দল হোৱাৰ পিছতো বেংগল টাইগাৰছে লেন্সাৰৰ সৈতে মোকাবিলা কৰিবলৈ অসমৰ্থ হয়। লেন্সাৰ্ছৰ কৃষণ বাহাদুৰ পাঠকে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ খিতাপ লাভ কৰে। আজি সন্ধিয়া ৬ বজাত হবলগীয়া আন এখন খেলত তামিলনাডু ড্ৰেগনছ, গোনাচিকা দলৰ মুখামুখি হব। নিশা ৮বাজি১৫ মিনিটত ৰৌৰকেলাত হবলগীয়া আন এখন খেলত ইউ পি ৰুদ্ৰাছে হায়দৰাবাদ টুফানছৰ বিৰুদ্ধে খেলিব।

00000

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে জনোৱা অনুসৰি সমগ্র উত্তৰ ভাৰতক ঘন কুঁৱলীয়ে আৱৰি ধৰিছে। আগন্তুক ৩-৪ দিনত পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, দিল্লী, উত্তৰ প্ৰদেশ, বিহাৰ, হিমাচল প্ৰদেশ আৰু ঝাৰখণ্ডৰ কিছু অঞ্চলত পুৱা আৰু নিশাৰ সময়ত অতি ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা আছে। ভাৰতৰ বতৰ বিজ্ঞান বিভাগে আজি পঞ্জাৱ, হাৰিয়ানা-

চণ্ডীগড়-দিল্লী, উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু উত্তৰ মধ্যপ্ৰদেশত শীতৰ ব্যাপক প্ৰভাৱ পৰিব বুলি জানিবলৈ দিছে। আজি অৰুণাচল প্ৰদেশৰো কেবাটাও স্থানত বজ্ৰপাতৰ সম্ভাৱনা আছে। দেশৰ উত্তৰ-পশ্চিম, মধ্য আৰু পূৰ্বাঞ্চলৰ নূন্যতম তাপমাত্ৰা অহা দুদিনত ২ৰ পৰা ৪ ডিগ্ৰী চেলছিয়াছলৈ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। ঘন কুঁৱলীৰ বাবে ইতিমধ্যে দেশৰ উত্তৰ অঞ্চলত কেইবাখনো ৰে'ল আৰু বিমান যাত্ৰাৰ সময়সূচীত প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। দিল্লী অভিমুখী প্ৰায় ২৫খন ৰে'ল পাঁচ-ছয় ঘণ্টা পৰ্যন্ত পলম হৈছে। ইফালে, দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত কুঁৱলীৰ বাবে প্ৰায় ৫০খন বিমান পলম হয়। দিল্লী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক বিমান যাত্ৰাৰ শেহতীয়া তথ্যৰ বাবে সংশ্লিষ্ট বিমান সংস্থাটোৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

ooooo

সমাপ্ত